## কবি নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত'কবিতাৰ এটি আলোচনা

আধুনিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত বিশেষভাবে অৰিহণা যোগাই অহা কবিসকলৰ ভিতৰত কবি নীলমণি ফুকন আছিল অন্যতম। বিষয়ব্যাপ্তিৰ গভীৰতাৰে প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদৰ সুন্দৰ প্ৰয়োগৰ মাজেৰে নতুন সম্ভাৱনা মুকলি কৰি অসমীয়া কবিতাক এক মাত্ৰা প্ৰদান কৰাৰ লগতে 'ৰামধেনু' যুগতে কবি হিচাপে আত্ম প্ৰকাশ কৰা প্ৰতিভশালী এইগৰাকী কবিয়ে অসমীয়া কাব্যসাহিত্যলৈ যথেষ্ট অৱদানেৰে সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ মৌলিক কাব্যগ্ৰন্থকেইখন হ'ল -

'সূৰ্য হেনো নামি আহে এই নদীয়েদি','নিৰ্জনতাৰ শব্দ', 'আৰু কি নৈ শব্দ', 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে', 'কঁাইট গোলাপ আৰু কঁাইট', 'গোলাপী জামুৰ লগ্ন', 'কবিতা', 'নৃত্যৰতা পৃথিৱী', 'আৰু অলপ আগতে আমি কথা পাতি আছিলোঁ' আদি।

**কবি নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' নামৰ কবিতা ঃ**

নীলমণি ফুকনৰ এটি অন্যতম কবিতা হ'ল 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত'নামৰ কবিতাটি। কবিতাটিৰ প্ৰথম স্তৱকতে কবিয়ে বিস্তৃত অৰ্থবৈভৱৰ সঞ্চাৰেৰে ব্ৰহ্মপুত্ৰত সূৰ্যাস্তৰ এক সুন্দৰ চিত্ৰ প্ৰকাশ কৰিছে। কবিতাটিত 'হিৰন্ময় হৃদয় পাত্ৰ' -এই বাক্যাংশৰ মাজেৰে প্ৰধানভাবে সূৰ্যক নিৰ্দেশ কৰিছে। কবিৰ মতে সূৰ্যটো হিৰন্ময় হৃদয় পাত্ৰ সদৃশ আৰু এনে হিৰন্ময় হৃদয় পাত্ৰ সদৃশ সূৰ্যটো এটা সময়ত নিঃশব্দে নদীত বুৰ গৈছে। এনে দৃশ্যই কবিৰ মনোজগতক লৈ গৈছে এখন দাৰ্শনিক চিন্তাৰ জগতলৈ। ব্ৰহ্মপুত্ৰত সূৰ্যাস্তৰ ক্ষণ আৰু মানৱ জীৱনৰ অন্তিম মুহূৰ্ত্তৰ ক্ষণৰ কথা কবিয়ে উপলব্ধি কৰিছে। এই দুয়োটা ক্ষণৰ মাজত এক ঐক্যভাৱ ফুটি উঠিছে। সূৰ্য অস্ত যোৱাৰ লগে লগে এটা দিনৰ অন্ত পৰি পৃথিৱীলৈ গভীৰ শূন্যতা নামি অহাৰ দৰে মানুহৰ জীৱনলৈ নামি অহা মৃত্যুৱেও নমাই আনে এক গভীৰ শূন্যতা। কবিতাটিত কবিয়ে এনেদৰে উল্লেখ কৰিছে-

"শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰন্ময় হৃদয়-পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল।"

কবিতাটিৰ দ্বিতীয় স্তৱকত উল্লেখ কৰা হৈছে যে হিৰন্ময় হৃদয় পাত্ৰ সদৃশ সূৰ্যটো নিঃশব্দে নৈত বুৰ যোৱাৰ পাছত কবিৰ মনত আন এক উপলব্ধি প্ৰকাশ পাইছে। সূৰ্যাস্তৰ সময়ৰ নদীৰ পানী ৰাঙলী হোৱা ডউজ্জ্বলতাও মৰ্মন্তুদ বুলি কবিয়ে উল্লেখ কৰিছে। সূৰ্যটোৱে মাৰ যোৱা সময়ত যিদৰে নৈৰ পানী ৰাঙলী কৰে তেনেদৰে মৃত্যুমুখী লোক এজনেও তেওঁৰ অন্তৰৰ জীয় জীয়া কামনা-বাসনা আৰু লালসাবোৰ এৰি যোৱাৰ সময়ত মৃত্যুৰ এক কাতৰ যন্ত্ৰণা অনুভৱ কৰে। ইয়াত দুটা কথা বিপৰীত ধৰ্মী ৰূপত ফুটাই তোলা হৈছে- এটা হ'ল ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' আৰু আনটো হ'ল 'মৃত্যুৰ ভয়াৱহ ৰূপ'।

কবিতাটিৰ তৃতীয় স্তৱকত দাঙি ধৰা হৈছে বেলি মাৰ যোৱাৰ পিছত সূৰ্যাস্ত দৰ্শন কৰা প্ৰতিগৰাকী দৰ্শকে শূন্য হৃদয় লৈ ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিছে। কবিয়ে কুৰি শতিকাৰ শেষাৰ্দ্ধৰ কোনো এটি দিনত ব্ৰহ্মপুত্ৰৰ পাৰত বাস কৰা অভাৱগ্ৰস্ত বাসিন্দাৰ যন্ত্ৰণাময় জীৱনৰ কথা উল্লেখ কৰিছে। দিনটোৰ শ্ৰম কৰি থকা সময়ত সেইলোকসকলৰ পাহৰি থকা দুখ-বেদনাবোৰ নিশা উক দিয়ে। কবিয়ে ক'ব বিচাৰিছে সকলো লোকৰে সেই একে বিষ। সূৰ্যাস্তৰ পিছত অনুভৱ হোৱা ধোঁৱা আৰু আন্ধাৰে গভীৰ কৰি তোলা শূন্যতা। কবিতাটিৰ মাজেৰে আধুনিক চেতনাৰ কথা প্ৰকাশ পাইছে।

কবিতাটিত সন্ধ্যাৰ 'নৈঃ শব্দ' অস্তিত্বৰ মৃত্যুৰ দ্যোতক হৈ দেখা দিছে। প্ৰতীকধৰ্মী পদ্ধতিৰে কবিয়ে মানুহৰ জীৱনৰ ৰহস্যৰ গভীৰ সত্বাক সুন্দৰভাবে চিত্ৰিত কৰাৰ প্ৰয়াস কৰিছে।

মৃত্যু হ'ল মানুহৰ জীৱনৰ চিৰসত্য আৰু অনিবাৰ্য দিশ। মানুহৰ জীৱনৰ মৃত্যুৰ ঘনিষ্ঠতম উপলব্ধিয়েই হ'ল কবিতাটিৰ মূল বিষয়। এনে গভীৰ উপলব্ধিৰে কবিয়ে এক কৌশলৰ মাজেৰে নৈসৰ্গিক চিত্ৰক পাঠকৰ মাজত দাঙি ধৰি কবিতাটি অতি মনোগ্ৰাহী কৰি তুলিছে। কবিতাটিত কবিয়ে এনেদৰে উল্লেখ কৰিছে-

"নামিল স্বয়ং শূন্যতা
নামিল হৃদয়ৰ শূন্যতা।"

**সহায়ক গ্ৰন্থ ঃ**

আহমেদ, এম. কামালুদ্দিন ঃ আধুনিক অসমীয়া কবিতা,২০০৫,পৃ. ৫২
কলিতা, সমীন ঃ শতাধিক অসমীয়া সাহিত্যিক,২০০১,পৃ. ৮৮-৮৯
তালুকদাৰ, নন্দ ঃ কবি আৰু কবিতা, ২০১১,পৃ. ১৯৩
নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা,২০১০, পৃ. ৩২৫

**********